# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-11-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

০০০০০

১। চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰিমাসিকত ৮ দশমিক ২ শতাংশ জি ডি পি বৃদ্ধি হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰে।

২। নতুন দিল্লীত অনুষ্ঠিত ৩৭ সংখ্যক সংসদীয় শিক্ষা নবিচ কাৰ্য্যসূচী-২০২৫ত অংশগ্ৰহণকাৰীসকলক লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সাক্ষাৎ কৰে।

৩। অসম বিধানসভাত আজি চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হয়।

৪। ভাৰতে শ্ৰীলংকালৈ ঘূৰ্ণীবতাহ ডিৎৱাহৰ বাবে মানৱীয় সাহায্য-সামগ্ৰী প্ৰেৰণ কৰাৰ লগতে সাগৰ বন্ধু অভিযানৰ জৰিয়তে দুৰ্য্যোগ ব্যৱস্থাপনাত সহায় কৰিব।

*আৰু*

৫। লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰতৰ তনবীৰ শৰ্মাই স্থান নিশ্চিত কৰিছে।

০০০০০

চলিত বিত্তীয় বৰ্ষৰ দ্বিতীয় ত্ৰিমাসিকত ৮ দশমিক ২ শতাংশ জি ডি পি বৃদ্ধি হৈছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৃদ্ধিৰ প্ৰশংসা কৰি কয়, যে চৰকাৰৰ বৃদ্ধি সমৰ্থক নীতি আৰু সংস্কাৰৰ ফলতেই জি ডি পিৰ এই উৎসাহজনক বৃদ্ধি সম্ভৱ হৈছে। তেওঁ লগতে কয়, যে এই বৃদ্ধিয়ে দেশৰ জনসাধাৰণৰ কঠোৰ পৰিশ্ৰম আৰু উদ্যমিতাকো প্ৰতিফলিত কৰিছে। শ্ৰীমোদীয়ে লগতে কয়, যে জনসাধাৰণৰ জীৱন সহজ কৰি তোলাৰ বাবে চৰকাৰৰ এই ধৰণৰ সংস্কাৰ প্ৰক্ৰিয়া শক্তিশালী কৰাৰ প্ৰচেষ্টা অব্যাহত থাকিব।

০০০০০

নতুন দিল্লীত অনুষ্ঠিত ৩৭ সংখ্যক সংসদীয় শিক্ষা নবিচ কাৰ্য্যসূচী-২০২৫ত অংশগ্ৰহণকাৰীসকলক লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত অধ্যক্ষগৰাকীয়ে কয়, যে তেওঁ এই কাৰ্য্যসূচীত ভাগ লোৱা বিভিন্ন দেশৰ পৰা অহা অংশগ্ৰহণকাৰীসকলৰ সৈতে বাৰ্তালাপ কৰে। শ্ৰীবিৰলাই কয়, যে ভাৰতীয় সংসদীয় পৰম্পৰা আৰু

গণতান্ত্রিক মূল্যবোধৰ প্ৰতি থকা তেওঁলোকৰ আস্থা আৰু কৌতুহল অতি উৎসাহজনক। এই অংশগ্ৰহণকাৰীসকলে তেওঁলোকে লাভ কৰা এই সুযোগক অতি অৰ্থপূৰ্ণ অভিজ্ঞতা হিচাপে আখ্যা দিয়া বুলিও শ্ৰীবিৰলাই প্ৰকাশ কৰে। লোকসভা সচিবালয়ৰ উদ্যোগত অনুষ্ঠিত এই কাৰ্য্যসূচী যোৱা ১০ নবেম্বৰত আৰম্ভ হৈছিল আৰু অহা ২ ডিচেম্বৰত সামৰণি পৰিব। ১২ খন দেশৰ সংসদৰ ৪০ গৰাকীতকৈও অধিক বিষয়া আৰু জন-প্ৰতিনিধিয়ে এই কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিছে।

০০০০০

অসম বিধানসভাত আজি চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হয়। ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত তিনি লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। অৱশ্যে এই বিধেয়কত জলহা চাহ বাগিচাৰ শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। এই সংশোধনী বিধেয়কে অন্য কৃষি কাৰ্যত জড়িত চাহ বাগিচাৰ অন্তৰ্গত শ্ৰমিক শ্ৰেণীসমূহক অন্তৰ্ভুক্ত কৰা নাই। সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। এই নতুন ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব। ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ অসুৰক্ষিত মনোভাব হ্ৰাস পাব।

মুখ্যমন্ত্ৰীয়ে কয়, যে ভূমিৰ পট্টা লাভ কৰাৰ পাছত চাহ বাগিচাৰ ভূমি ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব। ২০ বছৰৰ পাছত ভূমি বিক্ৰী কৰিলেও সেয়া বাগিচাৰ আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে চৰকাৰী তথ্য অনুসৰি ৰাজ্যখনত ৮২৫ খন চাহ বাগিচা অঞ্চলত দুই লাখ ১৮ হাজাৰ ৫৫৩ বিঘাৰো অধিক ভূমিত শ্ৰমিকসকলে বাস কৰি আছে।

০০০০০

ভাৰত বিশ্বৰ দ্বিতীয় বৃহৎ চাহ ৰপ্তানিকাৰী দেশ আৰু ভাৰতে বছৰি প্ৰায় ২৫৫ মিলিয়ন চাহ উৎপাদন কৰে। কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে আজি নতুন দিল্লীত অনুষ্ঠিত সুৰক্ষিত চাহ উৎপাদন সন্মিলনত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। শ্ৰীগোৱেলে কয়, যে চাহ উদ্যোগত কৰ্মৰত শ্ৰমিকসকলৰ কল্যাণৰ বাবে চৰকাৰে এহেজাৰ কোটি টকাৰ পেকেজেৰে চায় চায়ং এপ পদক্ষেপ গ্ৰহণ কৰিছে। ২০৪৭ চনত বিকশিত ভাৰতৰ লক্ষ্যত উপনীত হোৱাৰ বাবে দেশৰ চাহ উদ্যোগক যথেষ্ট সা-সুবিধা আগবঢ়োৱাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধন প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্যায়ত ৫০ কোটি ৬৮ লাখতকৈও অধিক গণনা প্ৰ-পত্ৰ বিতৰণ কৰা হৈছে বুলি নিৰ্বাচন আয়োগে আজি প্ৰকাশ কৰে। এই পৰ্যায়ত ৫১ কোটি ভোটদাতা সংযুক্ত কৰা হৈছে। যোৱা ৪ নৱেম্বৰত দেশৰ ৯ খন ৰাজ্য আৰু তিনিখন কেন্দ্ৰীয় শাসিত অঞ্চলত ভোটাৰ তালিকাৰ বিস্তৃত সংশোধনী প্ৰক্ৰিয়া আৰম্ভ হয়। এই ৰাজ্য আৰু কেন্দ্ৰীয়

শাসিত অঞ্চলসমূহ হৈছে চত্তিশগড়, গোৱা, গুজৰাট, কেৰালা, মধ্যপ্ৰদেশ, ৰাজস্থান, তামিলনাডু, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, পুডুচেৰী, লাক্ষ্যাদ্বীপ, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ। অহা বছৰৰ ৭ ফেব্ৰুৱাৰীত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ পোৱাৰ লগে লগে এই বিশেষ বিস্তৃত সংশোধনী প্ৰক্ৰিয়াৰ সামৰণি পৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘূৰ্ণী বতাহ দিৎৱাহৰ কৱলত পৰি জীৱন হেৰুওৱা শ্ৰীলংকাৰ লোকসকলৰ আত্মীয় আৰু পৰিয়ালৰ  প্ৰতি সমবেদনা প্ৰকাশ কৰিছে। এটা বাৰ্তাত শ্ৰীমোদীয়ে এই ঘূৰ্ণী বতাহত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালৰ লোকসকল নিৰাপদ আৰু সুবিধাজনক স্থানলৈ স্থানান্তৰিত কৰাৰ আশা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে তাৎক্ষণিকভাৱে দেশখনলৈ মানৱীয় সাহায্য-সামগ্ৰী প্ৰেৰণ কৰিব আৰু সাগৰ বন্ধু অভিযানৰ জৰিয়তে দুৰ্য্যোগ ব্যৱস্থাপনাত সহায় কৰিব। প্ৰধানমন্ত্ৰী শ্ৰীমোদীয়ে কয়, যে ভাৰতৰ আটাইতকৈ ওচৰৰ সামুদ্ৰিক প্ৰতিৱেশী দেশ হিচাপে শ্ৰীলংকালৈ ভাৰতে আৰু অধিক পৰিমাণৰ সাহায্য সামগ্ৰী প্ৰেৰণ কৰিব।

ঘূৰ্ণী বতাহ ডিৎৱাহৰ প্ৰতি গুৰুত্ব আৰোপ কৰি ভাৰতে সাগৰ বন্ধু অভিযানৰ পদক্ষেপ লৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে সামাজিক মাধ্যমৰ এটা পোষ্টত এই কথা প্ৰকাশ কৰি কয়, যে আই এন এছ্ বিক্ৰান্ত্ আৰু আই এন এছ্ উদয়গিৰিয়ে কলম্বোলৈ সাহায্য সামগ্ৰী হস্তান্তৰ কৰে। তেওঁ লগতে কয়, যে এই সন্দৰ্ভত আৰু কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

০০০০০

ভাৰতে আফগানিস্তানৰ কাবুললৈ তাৎক্ষণিক চিকিৎসা প্ৰয়োজনীয়তা পূৰণ কৰাৰ উদ্দেশ্যে ৭৩ টন জীৱন ৰক্ষাকাৰী ঔষধ, প্ৰতিষেধক আৰু প্ৰয়োজনীয় পৰিপূৰক সামগ্ৰী প্ৰেৰণ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে সামাজিক মাধ্যমৰ এটা পোষ্টৰ জৰিয়তে এই কথা প্ৰকাশ কৰি কয়, যে এই সাহায্য সামগ্ৰীসমূহ আফগানিস্তানৰ স্বাস্থ্যৰ যতন প্ৰচেষ্টাত বিশেষ সহায়ক হ'ব।

০০০০০

দেশত বাল্য বিবাহ নিৰ্মুল কৰাৰ উদ্দেশ্যে স্পষ্ট নীতি আৰু ফলপ্ৰসূ কাৰ্য্য-ব্যৱস্থা গ্ৰহণৰ বাবে তৃণমূল পৰ্য্যায়ত প্ৰচেষ্টা চলি আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত কেন্দ্ৰীয় মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী অন্নপূৰ্ণা দেৱীৰ এটা প্ৰৱন্ধৰ বিষয়ে উল্লেখ কৰি এই কথা প্ৰকাশ কৰে। মন্ত্ৰী শ্ৰীমতী অন্নপূৰ্ণা দেৱীয়ে তেওঁৰ এই প্ৰৱন্ধত বাল্য বিবাহমুক্ত ভাৰতৰ আহ্বান জনাইছে।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ প্ৰস্তাৱিত যুগে যুগীন ভাৰত সংগ্ৰহালয়ৰ লগতে সংস্কৃতি আৰু পৰ্য্যটনৰ সৈতে জড়িত প্ৰকল্পসমূহৰ বাজেট বৃদ্ধিৰ বাবে চৰকাৰে কাম কৰি আছে। নতুন দিল্লীত অনুষ্ঠিত ৯৮ সংখ্যক  এফ আই চি চি আইৰ বাৰ্ষিক সাধাৰণ বৈঠকত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্য্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটে আজি এই কথা প্ৰকাশ কৰে। যোৱা বছৰ দেশৰ ৫০ খন পৰ্য্যটন

স্থানক  বিশ্বমানৰ কৰি গঢ়ি তোলাৰ বাবে ঘোষণা কৰাৰ লগতে ইয়াৰ বাবে পৰ্য্যটন বাজেটত ধনৰ অনুমোদন বৃদ্ধিৰ বাবে আহ্বান জনোৱা হৈছিল।

ooooo

গোৱাত অনুষ্ঠিত ৫৬ সংখ্যক আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ আজি নিশা সামৰণি পৰিব। যোৱা ২০ নবেম্বৰত এই মহোৎসৱ আৰম্ভ হৈছিল। নিশাৰ সামৰণি অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ চাৱন্ত, কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱ, কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানৰ লগতে মহোৎসৱৰ পৰিচালক শেখৰ কাপুৰ আৰু অন্যান্য উদ্যোক্তাসকলে অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এইবাৰৰ মহোৎসৱত ৮১ খন দেশৰ ২৪০ খন চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হয়।

ooooo

জল জীৱন অভিযানৰ অধীনত সমগ্ৰ দেশৰ ১৫ কোটি গ্ৰাম্য পৰিয়ালক নলযোগে বিশুদ্ধ খোৱাপানীৰ সংযোগ প্ৰদান কৰা হৈছে। নতুন দিল্লীত অনুষ্ঠিত সুজালাম ভাৰতৰ লক্ষ্য সন্মিলনত ভাষণ দি জল শক্তি মন্ত্ৰী চি আৰ পাটিলে আজি এইদৰে মন্তব্য কৰে।তেওঁ কয়, যে প্ৰতিগৰাকী নাগৰিকৰ বাবে বহনক্ষম জল সুৰক্ষা নিশ্চিত কৰাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

এই সন্মিলন পানী সংৰক্ষণৰ বাবে বৈজ্ঞানিক আৰু বহনক্ষম পদ্ধতি গঢ়ি তোলাৰ উদ্দেশ্য দেশজোৰা প্ৰচেষ্টাৰ অংশ বুলিও মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে। শ্ৰী পাটিলে লগতে কয় যে ভূগৰ্ভৰ পানীৰ স্তৰ পুনৰুজ্জীৱিত কৰাৰ বাবে আৰু পানীৰ উপলব্ধতা উন্নত কৰাৰ লগতে পানীৰ অভাৱৰ সন্মুখীন হোৱা অঞ্চলসমূহৰ বাবে এম জি এনৰেগা পুঁজিৰ ৬৫ শতাংশ আবণ্টন দিয়া হ'ব। তেওঁ কয় যে সুজালাম ভাৰতৰ লক্ষ্যৰ সহায়ত ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত দেশ হিচাপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত হ'ব।

ooooo

লক্ষ্ণৌত অনুষ্ঠিত চৈয়দ মোদী আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমিফাইনেলত  ভাৰতীয় শ্বাটলাৰ তনৱী শৰ্মাই স্থান নিশ্চিত কৰিছে। ১৬ বছৰীয়া শ্বাটলাৰগৰাকীয়ে কোৱাৰ্টাৰ ফাইনেলত হংকঙৰ চিন য়ান হেপি ল'ক ২১-১৩, ২১-১৯ পইণ্টত পৰাস্ত কৰে। উন্নতি হুদাইও নিজ দেশৰ ৰক্ষিতা ৰামৰাজৰ বিৰুদ্ধে তিনিখন খেলত ২১-১৫, ১৩-২১, ২১-১৬ পইণ্টত জয়লাভ কৰি ছেমি ফাইনেলত

প্ৰৱেশ কৰিছে। ভাৰতীয় মিক্সড ডাবলছৰ নতুন যুটি ট্ৰিছা জলী আৰু হৰিহৰণ আমছাকৰুণনেও ছেমি ফাইনেলত স্থান নিশ্চিত কৰিছে।

০০০০০

সমাপ্ত